**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। গোৱা জিলা পঞ্চায়ত নিৰ্বাচনত বিজেপি-এম জি পিৰ মিত্ৰজোঁটে সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সমৰ্থ হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু জে পি নাড্ডাই গোৱা জিলা পঞ্চায়ত নিৰ্বাচনত জয়লাভ কৰাৰ বাবে গোৱাবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। চৰকাৰী খণ্ডৰ বেংকসমূহে দেশৰ উন্নয়ন বৃদ্ধিৰ সমৰ্থনত ব্যক্তিগত আৰু বিদেশী বেংকসমূহৰ সৈতে একেলগে থিয় দি শক্তিশালী প্ৰতিষ্ঠান হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে।

৪। নতুন দিল্লীস্থিত বাংলাদেশ উচ্চায়োগে অনিবাৰ্য পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভিছা আৰু পাছপ’ৰ্ট সংক্ৰান্তীয় সেৱা সাময়িকভাৱে স্থগিত ৰাখিছে। *আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজত মহিলাৰ টি-২০ শৃংখলাৰ দ্বিতীয়খন খেল আজি বিশাখানপট্টনমত অনুষ্ঠিত হ’ব।

ooooo

সদ্য সমাপ্ত গোৱা জিলা পঞ্চায়ত নিৰ্বাচনত বিজেপি-এম জি পিৰ মিত্ৰজোঁটে সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যখনৰ ৫০ খন জিলা পঞ্চায়ত আসনৰ ভিতৰত ৩০ খনতকৈও অধিক আসনত দুয়োটা দলে জয়লাভ কৰে। আনহাতে কংগ্ৰেছে ১০ খন আৰু আপ তথা ৰিভ’লিউচনৰী গোৱান পাৰ্টীয়ে এখনকৈ আসন লাভ কৰে। যোৱা ২০ ডিচেম্বৰত ভোটগ্ৰহণ হোৱা নিৰ্বাচনত চাৰিগৰাকী নিৰ্দলীয় প্ৰাৰ্থীও জয়লাভ কৰিছে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ অধ্যক্ষ জে পি নাড্ডাই গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্ত আৰু দলৰ ৰাজ্যিক সভাপতি দামোদৰ জি নায়িকক জিলা পঞ্চায়তৰ নিৰ্বাচনত জয়লাভ কৰাৰ বাবে অভিনন্দন জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা প’ষ্টত শ্ৰীনাড্ডাই পঞ্চায়ত নিৰ্বাচনত বিজেপি তথা ইয়াৰ মিত্ৰজোঁট মহাৰাষ্ট্ৰবাদী গোমান্তক পাৰ্টী- এম জি পিৰ ওপৰত আস্থা ৰখাৰ বাবে গোৱাবাসীক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীনাড্ডাই লগতে কয়, যে এই বিজয়ে সু-শাসন, উন্নয়নচালিত নীতি আৰু দ্বৈত ইঞ্জিন চৰকাৰৰ প্ৰতি জনসাধাৰণৰ বিশ্বাস প্ৰতিফলিত কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্ত আৰু দলৰ ৰাজ্যিক সভাপতি দামোদৰ জি নায়িকক জিলা পঞ্চায়তৰ নিৰ্বাচনত জয়লাভ কৰাৰ বাবে শুভেচ্ছা জনোৱাৰ লগতে গোৱাবাসীক ধন্যবাদ জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা প’ষ্টত তেওঁ কয়, যে এন ডি এয়ে য’তেই সুবিধা পাইছে

তাতেই শাসনৰ প্ৰতিটো স্তৰতে জনসাধাৰণক সেৱা আগবঢ়াই আহিছে আৰু এই ফলাফলে জনসাধাৰণৰ সমৰ্থন প্ৰতিফলিত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোৱাৰ জিলা পঞ্চায়তৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টী আৰু মহাৰাষ্ট্ৰবাদী গোমান্তক পাৰ্টী মিত্ৰজোঁটে লাভ কৰা সমৰ্থনৰ বাবে গোৱাবাসীক ধন্যবাদ জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয়, যে ইয়াৰ ফলত ৰাজ্যখনৰ উন্নয়নৰ বাবে এন ডি এৰ প্ৰচেষ্টা সফল হ'ব। তেওঁ কয়, যে এন ডি এয়ে এই সুন্দৰ ৰাজ্যখনৰ জনসাধাৰণৰ সপোন আৰু আকাংক্ষাসমূহ বাস্তৱায়িত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰীমোদীয়ে কয়, যে দলীয় কৰ্মীসকলৰ কঠোৰ পৰিশ্ৰমৰ ফলতেই এনে প্ৰশংসনীয় ফলাফল লাভ কৰিবলৈ সমৰ্থ হৈছে। গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱন্তৰ সামাজিক মাধ্যমযোগে দিয়া এটা প'ষ্টৰ উত্তৰত শ্ৰীমোদীয়ে এইদৰে কয়।

০০০০০

অসমৰ পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা অবৈধ দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থাকে ধৰি কেইবাটাও কাৰ্বি জাতীয় সংগঠনে চলাই থকা প্ৰতিবাদে হিংসাত্মক ৰূপ ধাৰণ কৰে। একাংশ প্ৰতিবাদকাৰীয়ে কালি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ পৈতৃক বাসগৃহত অগ্নিসংযোগ কৰে আৰু বাসগৃহটো লণ্ডভণ্ড কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে গুলীচালনা কৰিবলগীয়া হোৱাত তিনিজন প্ৰতিবাদকাৰী আহত হয়। আনহাতে প্ৰতিবাদকাৰীৰ আক্ৰমণত এজন আৰক্ষীৰ লোক আহত হয়। উল্লেখযোগ্য যে ষষ্ঠ অনুসূচীৰ অন্তৰ্গত কাৰ্বি আংলং জিলাৰ পি জি আৰ আৰু ভি জি আৰ ভূমিৰ পৰা দখলকাৰীক উচ্ছেদৰ দাবীত কাৰ্বি ছাত্ৰ সন্থা আৰু জাতীয় সংগঠনসমূহে যোৱা ১৫ দিন ধৰি অনশন কাৰ্যসূচীকে ধৰি আন্দোলন চলাই আহিছে। আনহাতে এই ভূমি সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি থকা গোচৰৰ বাবে বিষয়টোত চৰকাৰ বা স্বায়ত্তশাসিত পৰিষদে বৰ্তমান হস্তক্ষেপ কৰিব নোৱাৰে বুলি মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে প্ৰকাশ কৰিছে।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১১ বছৰত দেশৰ স্বাস্থ্য খণ্ডত উল্লেখযোগ্য ৰূপান্তৰ হৈছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে প্ৰাথমিক স্বাস্থ্য যতন ব্যৱস্থা শক্তিশালী কৰিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা কৰিছে। শ্ৰীমতী পেটেলে কালি নতুন দিল্লীৰ বৰ্ধমান মহাবীৰ চিকিৎসা মহাবিদ্যালয় আৰু চফদৰ্জং চিকিৎসালয়ৰ সপ্তম সমাৱৰ্তনত সম্বোধন কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে সকলোৰে বাবে স্বাস্থ্য সেৱা ব্যয় সাধ্য কৰি তুলিছে। তেওঁ কয় যে চৰকাৰে দৰিদ্ৰ আৰু আৰ্তজনক বিভিন্ন আঁচনিৰ জৰিয়তে বিত্তীয় সুৰক্ষা প্ৰদান কৰিছে। শ্ৰীমতী পেটেলে লগতে কয় যে প্ৰাথমিক স্বাস্থ্য যতন সুবিধা প্ৰদানৰ বাবে সমগ্ৰ দেশতে এক লাখ ৭৮ হাজাৰ আয়ুষ্মান আৰোগ্য মন্দিৰ কাৰ্যক্ষম হৈ আছে। তেওঁ লগতে কয়, যে আয়ুষ্মান ভাৰত - প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত ৬২ কোটি লোকক ৫ লাখ টকালৈকে বিনামূলীয়া স্বাস্থ্য সেৱা প্ৰদান কৰি থকা হৈছে। এয়া হৈছে বিশ্বৰ বৃহৎ স্বাস্থ্য বীমা যোজনা। প্ৰধানমন্ত্ৰী জন ঔষধী যোজনা আৰু অমৃত ফাৰ্মাচীৰ দৰে আঁচনিয়েও সুলভ হাৰত চিকিৎসা উপকৰণ উপলভ্য কৰাই আছে।

০০০০০

বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সাক্ষাৎকালত বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙো উপস্থিত আছিল। নীতিশ কুমাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰীশ্বাহে কয় যে বিহাৰত জনকল্যাণ আৰু সু-শাসনক শিখৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত **এনডিএ চৰকাৰ** প্ৰতিশ্ৰুতিবদ্ধ।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয়, যে চৰকাৰী খণ্ডৰ বেংকসমূহে দেশৰ উন্নয়ন বৃদ্ধিৰ সমৰ্থনত ব্যক্তিগত আৰু বিদেশী বেংকসমূহৰ সৈতে একেলগে থিয় দি শক্তিশালী আৰু প্ৰতিযোগিতামূলক প্ৰতিষ্ঠান হিচাপে আত্মপ্ৰকাশ কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত **এম এছ এম ই বেংকিং এক্সিলেন্স এৱাৰ্ড** অনুষ্ঠানত ভাষণ দি শ্ৰীগোৱেলে এইদৰে কয়। ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক সমৰ্থন কৰাৰ ক্ষেত্ৰত বেংকিং ব্যৱস্থাৰ জটিল ভূমিকাৰ বিষয়ে আলোকপাত কৰি শ্ৰীগোৱেলে কয়, যে ক্ষুদ্ৰ উদ্যোগীসকলৰ উন্নয়নৰ বাবে সময়মতে পৰ্যাপ্ত ঋণৰ সুবিধা প্ৰদান কৰাই হৈছে মূল উদ্দেশ্য।

ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি ঘোষণাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশনাত সম্পন্ন হোৱা সপ্তমখন মুক্ত বাণিজ্য চুক্তিৰ অধীনত অহা ১৫ বছৰত ২০ বিলিয়ন মাৰ্কিন ডলাৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অধীনত নিউজিলেণ্ডে বিনিয়োগ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে। এই চুক্তিয়ে উদ্ভাৱন, উৎপাদন আৰু ৰপ্তানীৰ ক্ষেত্ৰত যথেষ্ট বিনিয়োগ আনিব বুলি শ্ৰীগোৱেলে আশা প্ৰকাশ কৰে। এইক্ষেত্ৰত এম এছ্ এম ই খণ্ড সৰ্বাধিক লাভান্বিত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি সম্পূৰ্ণভাৱে মহিলা বিষয়াৰ দলে সম্পন্ন কৰিছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই চুক্তি ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰখনত মহিলাসকলে লোৱা নেতৃত্বৰ ভূমিকাক গুৰুত্ব আৰোপ কৰি চূড়ান্ত কৰা প্ৰথমখন চুক্তি হিচাপে পৰিগণিত হৈছে।

ooooo

দক্ষিণ আফ্ৰিকাত চলিত মাহৰ আৰম্ভণিতে সংঘটিত এটা গুলীচালনাৰ গোচৰত অভিযুক্ত ৩২ বছৰীয়া এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। উল্লেখযোগ্য যে এটা অনুজ্ঞাপত্ৰবিহীন এটা পাবত সংঘটিত এই গুলীচালনাত তিনিটি শিশুকে ধৰি ১২ জন লোকৰ মৃত্যু হৈছিল। এই ঘটনাত আন ১৩ জন লোকো আহত হৈছিল। গ্ৰেপ্তাৰ কৰা লোকজনৰ বাহনৰ পৰা এই ঘটনাত ব্যৱহৃত আগ্নেয়াস্ত্ৰটো উদ্ধাৰ কৰা হৈছে বুলি আৰক্ষীৰ সূত্ৰই জানিবলৈ দিছে।

ooooo

**ৰবি শস্যৰ ৰোপণ এই বছৰত এতিয়ালৈকে পাঁচ কোটি ৮০ লাখ হেক্টৰৰো অধিক কৃষিভূমিত সম্পূৰ্ণ হৈছে। যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত কৃষিভূমিৰ এই পৰিমাণ প্ৰায় ৮ লাখ হেক্টৰৰো অধিক বুলি তথ্য প্ৰকাশ কৰা হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এই মাহৰ ১৯ তাৰিখলৈকে ৰবি শস্যৰ আবৃত এলেকাৰ তথ্য প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে জনায় যে ৩০১ লাখ হেক্টৰৰো অধিক এলেকাত এইবাৰ ঘেঁহু খেতি কৰা হৈছে। যোৱা বছৰৰ একে সময়ছোৱাত ঘেঁহু খেতিৰ সৰ্বমুঠ এলেকা ৩০০ লাখ হেক্টৰ আছিল। একেদৰে মাহজাতীয় শস্যৰ আবৃত এলেকা ১২৬ লাখ হেক্টৰৰো অধিক হৈছে। ধানৰ ক্ষেত্ৰত আবৃত এলেকা পূৰ্বতকৈ ১৩ লাখ হেক্টৰৰো অধিক উল্লেখযোগ্য বৃদ্ধি পৰিলক্ষিত হৈছে।**

০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজত চলি থকা মহিলা ক্ৰিকেটৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন খেল আজি বিশাখাপট্টনমৰ ডাঃ ৱাই এছ ৰাজশেখৰ ৰেড্ডী এচিএ–ভিডিচিএ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাটোত আয়োজক দল ভাৰত ১–০ৰ ব্যৱধানত আগবাঢ়ি আছে। অধিনায়ক হৰমনপ্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটোৱে যোৱা দেওবাৰে বিশাখাপট্টনমত অনুষ্ঠিত প্ৰথমখন টি-২০ মেচত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰিছিল।

০০০০০

ভূপালৰ এম পি ৰাজ্যিক শুটিং একাডেমীত চলি থকা ৬৮ সংখ্যক ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত ভাৰতীয় নৌসেনা বাহিনীৰ অংকুশ যাদৱে সোণৰ পদক অৰ্জন কৰিছে। যাদৱে সুন্দৰ প্ৰদৰ্শনেৰে অলিম্পিয়ান অৰ্জুন বাবুটাক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। আনহাতে ১০ মিটাৰ এয়াৰ ৰাইফলৰ পুৰুষৰ জুনিয়ৰত ফাইনেলত গুজৰাটৰ মহম্মদ মুৰ্টাজা ভেনিয়াই সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে পশ্চিমবংগৰ অভিনৱ শ্ব'ই ৰূপ আৰু কৰ্ণাটকৰ ওংকাৰ বিকাশ ৱাঘমাৰেই ব্ৰঞ্জৰ পদক দখল কৰে।

০০০০০

সমাপ্ত